# Course 506

ব্লক - 1

# শিশুক বুজি পোৱা

গোট - 1



টোকা

## গোট - 1 ঃ শিশুক বুজি পোৱা

# গোটৰ গঠন ঃ


1.0 পাতনি

1.1 শিকন উদ্দেশ্য

1.2 বৃদ্ধি আৰু বিকাশৰ মাজত পাৰ্থক্য

1.3 বৃদ্ধি আৰু বিকাশৰ নীতি

1.4 বৃদ্ধি আৰু বিকাশৰ মাজৰ সম্পৰ্ক

1.5. বৃদ্ধি আৰু বিকাশ প্ৰভান্বিত কৰা কাৰকসমূহ

1.6 বৃদ্ধি আৰু বিকাশৰ স্তৰ

1.6.1 বৃদ্ধিৰ স্তৰ ঃ কেঁচুৱা অৱস্থাৰ পৰা কৈশোৰলৈ আৰু ইয়াৰ প্ৰভাৱ

1.6.2 শিক্ষণ আৰু শিকন প্ৰক্ৰিয়াৰ বাবে বিকাশৰ স্তৰৰ প্ৰাসংগিকতা

1.7 শিশুৰ বৃদ্ধি আৰু বিকাশত শিক্ষকৰ ভূমিকা

1.8 সাৰাংশ

1.9 স্বমূল্যায়নৰ বাবে প্ৰশ্নোত্তৰ

6.10 উপদেশমূলক প্ৰাসংগিক পুথি

6.11 গোটৰ অনুশীলনী


## 1.0 পাতনি

শিশুৰ বৃদ্ধি আৰু বিকাশৰ সঠিক জ্ঞানেৰে শিক্ষকে শিশুৰ দুৰ্বলতা চিনাক্ত কৰি প্ৰয়োজনীয় সহায় আগবঢ়াই শিশুক ভৱিষ্যতৰ সু নাগৰিক কৰি গঢ়ি তুলিব পাৰে। শিশুৰ জন্মৰ পিছৰে পৰা চৌপাশে থকা পৰিৱেশে শিশুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। মানুহৰ বৃদ্ধিৰ প্ৰকৃতি আৰু নীতিৰ ওপৰত বিতং জ্ঞান থাকিলেহে শিক্ষকে শিশুক গাইড দিব পাৰিব। এয়া প্ৰকাশ্য যে শিশুৰ জন্মৰ পৰা প্ৰাপ্তবয়স্ক আৰু বৃদ্ধ অৱস্থালৈ বৃদ্ধি আৰু বিকাশৰ বিতং জ্ঞান শিক্ষকৰ থাকিব লাগিব তেতিয়াহে শিক্ষাৰ মূল লক্ষ্যত উপনীত হ'ব পৰা যাব। শিশুৰ পিছৰ পৰ্যায়ৰ বিকাশ সম্পৰ্কে বুজিবলৈ শিশুৰ প্ৰথম কেইবছৰমানৰ বৃদ্ধি আৰু বিকাশ জনাটো অতি গুৰুত্বপূৰ্ণ। যিহেতু বৃদ্ধি এটা অবিৰত প্ৰক্ৰিয়া সেয়ে



টোকা

শিশুৰ বৃদ্ধিৰ কোন সময়ত, কেনে ধৰণে শিশুক গাইড দিব লাগিব সেই সম্পৰ্কে শিক্ষকে জানিব লাগিব। বিভিন্ন বয়সৰ বিভিন্ন চৰিত্ৰৰ আৰু বিভিন্ন আৰ্থ-সামাজিক পটভূমিত থকা শিশুসকলক কেনে ধৰণে ব্যৱহাৰ কৰিব লাগে শিক্ষকে জনাটো অতি আৱশ্যক। পৰিৱেশৰ লগত হোৱা ঘাত-প্ৰতিঘাতৰ জৰিয়তে শিশুৰ ব্যৱহাৰৰ পৰিবৰ্তন হয় আৰু শিক্ষকে এই সম্পৰ্কে জনাটো অতি প্ৰয়োজনীয়।

এই গোটটোত আমি বয়স অনুযায়ী শিশুৰ বৃদ্ধি আৰু বিকাশৰ নীতি আৰু প্ৰকৃতি সম্পৰ্কে আৰু এই ক্ষেত্ৰত শিক্ষকৰ কৰণীয় সম্পৰ্কে আলোচনা আগবঢ়োৱাম।

## 1.1 শিকন উদ্দেশ্য ঃ

এই গোটটোৰ অন্তত আপুনি তলত উল্লেখ কৰা কথাবোৰ জানিবলৈ সক্ষম হ'ব।

- বৃদ্ধি আৰু বিকাশৰ পাৰ্থক্য নিৰ্ণয়।
- বৃদ্ধি আৰু বিকাশৰ নীতিৰ তালিকা আৰু ইয়াৰ বৰ্ণনা।
- বৃদ্ধি আৰু বিকাশৰ সম্পৰ্ক।
- শিশুৰ বৃদ্ধি আৰু বিকাশৰ বিভিন্ন স্তৰ অনুযায়ী তেওঁলোকৰ ভৌতিক, মানসিক, আৱেগিক, সামাজিক আৰু গুণাগুণ সম্পৰ্কীয় চৰিত্ৰ চিনাক্তকৰণ।
- শিশুৰ বৃদ্ধি আৰু বিকাশৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা।

## 1.2 বৃদ্ধি আৰু বিকাশৰ মাজত পাৰ্থক্য

বয়স আৰু অভিজ্ঞতাৰ বাবে মানুহৰ কিছুমান ক্ৰমাগত পৰিবৰ্তন হয়। এয়াই বিকাশ আনহাতে বয়স বৃদ্ধিৰ লগে লগে মানুহৰ দৈহিক গঠন আৰু আভ্যন্তৰিক পৰিবৰ্তন হয়। এয়াই বৃদ্ধি। বিকাশে বৃদ্ধি আৰু পৰিৱেশৰ প্ৰভাৱৰ বাবে হোৱা ব্যৱহাৰিক পৰিবৰ্তনো সাঙুৰি লয়। বিকাশ হ'লেহে প্ৰাপ্তবয়স্ক হয় আৰু ওজন, উচ্চতা আৰু আকাৰ বাঢ়িলে বৃদ্ধি হোৱা বলি কয় যাক আমি জুখিব পাৰো। সি যিকি নহওক, বৃদ্ধি আৰু বিকাশৰ পাৰ্থক্য আমি তলত দিয়া ধৰণে দিব পাৰোঁ।

| ক্ৰ নং | বৃদ্ধি | বিকাশ |
|---|---|---|
| 1 | ওজন, উচ্চতা আৰু আকাৰ বৃদ্ধি হয়। পৰিমাণ পৰিবৰ্তন হয়। | আকৃতি আৰু গঠন সলনি হয়। কৰ্ম আৰু চৰিত্ৰৰ গুণগত পৰিবৰ্তন হয়। |
| 2 | বৃদ্ধিয়ে শৰীৰৰ ভৌতিক পৰিবৰ্তনক বুজায়। | বিকাশে শৰীৰৰ ভৌতিক পৰিবৰ্তনৰ লগতে সকলো পৰিবৰ্তনক বুজায়। |
| 3 | বৃদ্ধি বিকাশৰ অন্তৰ্গত | শৰীৰৰ সম্পূৰ্ণ পৰিবৰ্তনেই হ'ল বিকাশ। |
| 4 | প্ৰাপ্তবয়স্ক প্ৰাপ্ত হ'লে বৃদ্ধি নহয়। | মৃত্যুলৈকে শৰীৰৰ বিকাশ হৈ থাকে। |



টোকা

| | | |
|---|---|---|
| 5 | বৃদ্ধি পৰ্যবেক্ষণ কৰিব আৰু জুখিব পাৰি। | বিকাশ জুখিব বা পৰ্যবেক্ষণ কৰিব নোৱাৰি। |
| 6 | বৃদ্ধিয়ে বিকাশ ঘটাবও পাৰে বা নঘটাবও পাৰে। | বিকাশৰ বাবে শৰীৰৰ সকলো অংগ কাৰ্যক্ষম হয় যদিও বিকাশ মানেই বৃদ্ধি নহয়। |

**স্ব-মূল্যায়নৰ বাবে প্ৰশ্নোত্তৰ - 1**

বৃদ্ধি বিকাশতকৈ বেলেগনে? যদি হয় 50টা শব্দৰ ভিতৰত যুক্তি দিয়ক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## 1.3 বৃদ্ধি আৰু বিকাশৰ নীতি ঃ

বৃদ্ধি আৰু বিকাশ এটা গতিশীল প্ৰক্ৰিয়া আৰু শিশুৱে এই বৃদ্ধি আৰু বিকাশৰ লগে লগে কিছুমান বৈশিষ্ট্য যেনে - শৰীৰৰ গতিশীলতা, অনুধাবন শক্তি, আৱেগ নিয়ন্ত্ৰণ, সামাজিক অভিযোজন, ভাষা শিকন আৰু মনোবিজ্ঞানীক আৰু সামাজিক বিকাশৰ বিভিন্ন দিশ আদি আহৰণ কৰে। আমি তলত বৃদ্ধি আৰু বিকাশৰ ক্ষেত্ৰত নটা নীতিৰ কথা উল্লেখ কৰিছো আৰু আপুনি এই নীতিসমূহ বিশ্লেষণ কৰি আমাৰ চৌপাশত থকা শিশুৰ ক্ষেত্ৰত প্ৰযোজ্য হয় নে নহয় ভাবি চাওক।

### 1. বিকাশে এটা আৰ্হি অনুসৰণ কৰে ঃ

জন্মৰ আগত আৰু জন্মৰ পিছত শিশুৰ ক্ৰমানুযায়ী বিকাশ হয়। ভৌতিক বিকাশ, স্নায়ুবিকাশ, ভাষাৰ বিকাশ, মানসিক বিকাশ আদি ক্ৰমানুযায়ী হয়।

### 2. বিকাশৰ দিশৰ নীতি ঃ

বিকাশৰ দিশ হ'ল চেফেল' ক'ডেল (Cephalo-caudul) আৰু প্ৰক্সিম'ডিষ্টেল (Proximodistal) মূৰৰ পৰা ভৰিলৈ হোৱা বিকাশৰ দিশক চেফেল'ক'ডেল আৰু কেন্দ্ৰৰ পৰা কাষলৈ হোৱা বিকাশৰ দিশক প্ৰক্সিম'ডিষ্টেল বোলে। শিশুৱে প্ৰথমতে মূৰ, পিছত বাহু আৰু তাৰ পিছত ভৰিত নিয়ন্ত্ৰণৰ ক্ষমতা লাভ কৰে। সেইদৰে শিশুৱে প্ৰথমতে ডাঙৰ মাংসপেশী আৰু পিছত সৰু মাংসপেশী নিয়ন্ত্ৰণ কৰিব পৰা হয়।

ইয়াৰ অৰ্থ এয়ে যে শিশুৱে প্ৰথমে বাহুৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিবলৈ সক্ষম হয় আৰু পিছত আঙুলি আৰু ক্ৰমে অন্য অংগৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা লাভ কৰে।



টোকা

## 3. অবিৰত বিকাশ ঃ

ভ্ৰূণানুৰ গঠনৰ পিছৰ পৰা মৃত্যুলৈকে বিকাশ অবিৰতভাৱে হৈ থাকে।

## 4. বৃদ্ধি আৰু বিকাশৰ হাৰ একে নহয় ঃ

যদিও বিকাশ অবিৰত কিন্তু বৃদ্ধি আৰু বিকাশৰ হাৰ একে নহয়। জীৱনৰ আদি কালছোৱাত পৰিবৰ্তন বেছি হয় আৰু পিছত কালছোৱাত পৰিবৰ্তন কম হয়। বয়স সন্ধিৰ কালছোৱাত আকৌ পৰিবৰ্তন ক্ষিপ্ৰতৰ হয় আৰু পিছলৈ এই হাৰ কমি যায়।

## 5. ব্যক্তিগত পাৰ্থক্যৰ নীতি ঃ

1. মানুহ ভেদে বয়স সাপেক্ষে বৃদ্ধি আৰু বিকাশৰ আৰ্হি আৰু বিকাশৰ হাৰ বেলেগ বেলেগ হোৱা দেখা যায়।
2. ল'ৰা আৰু ছোৱালীৰ মাজতো বৃদ্ধি আৰু বিকাশৰ পাৰ্থক্য দেখা যায়। ছোৱালীয়ে ল'ৰাতকৈ সোনকালে যৌৱনপ্ৰাপ্ত হয়। যৌৱনপ্ৰাপ্ত হোৱাৰ আগতে ছোৱালীয়ে ল'ৰাতকৈ ডাঙৰ হোৱা দেখা যায়।
3. সাধাৰণৰ পৰা বিশেষ সঁহাৰি অভিমুখে বিকাশে গতি কৰে।
4. বিকাশৰ সকলো ক্ষেত্ৰত দেখা যায় যে -

## 7. বিকাশৰ সংহতিৰ নীতি ঃ

সাধাৰণ সঁহাৰিৰ পৰা বিশেষ সঁহাৰিৰ দিশে ধাবমান হওতে বিশেষ সঁহাৰিবোৰ একত্ৰিত হৈ সম্পূৰ্ণ ধাৰণা গঠন হয়। অৰ্থাৎ বিকাশৰ ক্ষেত্ৰত সম্পূৰ্ণৰ পৰা অংশলৈ আৰু অংশৰ পৰা সম্পূৰ্ণলৈ ধাৰণা পৰিপূৰ্ণ হয়।

## 8. আন্তঃ সম্পৰ্কৰ নীতি ঃ

বিকাশৰ বিভিন্ন সূচকৰ আন্তঃসম্পৰ্কৰ বাবে শিশুৰ বিকাশৰ বিভিন্ন দিশ আন্তঃনিৰ্ভৰশীল হোৱা দেখা যায়। যেনে- শিশুৰ সামাজিক দিশৰ বিকাশে আৱেগিক দিশবোৰৰ ওপৰত প্ৰভাৱ পেলায়। অৰ্থাৎ বিকাশৰ সকলো দিশ আন্তঃসম্পৰ্ক থকা আৰু আন্তঃনিৰ্ভৰশীল।

## 9. শিশুৰ ভৱিষ্যৎ সম্পৰ্কে অনুমান ঃ

শিশুৰ বৃদ্ধি আৰু বিকাশৰ হাৰে তেওঁলোকৰ ভৱিষ্যতে শাৰীৰিক বা মানসিক অৱস্থা কেনেকুৱা হ'ব তাৰ আগতীয়া অনুমান কৰাত সহায় কৰে।

**স্ব-মূল্যায়নৰ বাবে প্ৰশ্নোত্তৰ** - 2

বৃদ্ধি আৰু বিকাশে অনুসৰণ কৰা নীতি সম্পৰ্কে আলোচনা আগবঢ়াওক।

..........................................................................................................

টোকা

.........................................................................................................

.........................................................................................................

## 1.4 বৃদ্ধি আৰু বিকাশৰ মাজত সম্পৰ্ক ঃ

বৃদ্ধি কোষ বিভাজনৰ দ্বাৰা হয় আৰু বৃদ্ধি নহ'লে বিকাশ নহয়। শৰীৰৰ ওজন আৰু উচ্চতাৰ পৰিবৰ্তন বৃদ্ধিৰ বাবে হয় আৰু অংগতন্ত্ৰ সমূহৰ কৰ্মক্ষম বিকাশৰ জৰিয়তে হয়। বৃদ্ধি শৰীৰৰ নিৰ্দিষ্ট ক্ষেত্ৰত সীমাবদ্ধ আনহাতে বিকাশ শিশুৰ সম্পূৰ্ণ পৰিবৰ্তন আৰু বিকাশৰ লগত জড়িত মাংসপেশী আৰু স্নায়ুতন্ত্ৰৰ বিকাশ হৈ শিশু পৰিপক্ক হয় আৰু পৰিৱেশৰ উদ্দীপকৰ প্ৰতি সঁহাৰি জনাই যি ক্ৰিয়া কৰা হয় সেইধৰণে শিশুৰ শিকন হয়। বৃদ্ধি বিকাশৰ অন্তৰ্গত আৰু পৰিৱেশ আৰু পৰিপক্কতাৰ ওপৰত নিৰ্ভৰ কৰি বিকাশ ক্ৰমানুসৰি হয়। বৃদ্ধিৰ বিভিন্ন প্ৰক্ৰিয়া পৰিৱেশ অনুসৰি হয়। কম সময়ত শিশুৱে কথা ক'বলৈ শিকা বা খোজকাঢ়িবলৈ শিকা আদি বৃদ্ধিৰ প্ৰক্ৰিয়া পৰিৱেশ অনুযায়ী হয়। যেতিয়া শিশুৰ পুৰণি আৰু নতুন ব্যৱহাৰিক দিশৰ তুলনা কৰোঁ তেতিয়া শিশুৰ বৃদ্ধি হোৱা বুলি গম পাওঁ।

**স্ব-মূল্যায়নৰ বাবে প্ৰশ্নোত্তৰ - 3**

- বৃদ্ধি আৰু বিকাশৰ মাজৰ সম্পৰ্কৰ বিষয়ে ৫০টা শব্দৰ ভিতৰত লিখক।

.........................................................................................................

.........................................................................................................

.........................................................................................................

## 1.5 বৃদ্ধি আৰু বিকাশ প্ৰভান্বিত কৰা কাৰকসমূহ ঃ

ভ্ৰূনাণুৰ পৰা সম্পূৰ্ণ জীৱনলৈ বিভিন্ন স্তৰত বিভিন্ন কাৰকে প্ৰভাৱ বিস্তাৰ কৰি মানুহৰ বৃদ্ধি আৰু বিকাশ ত্বৰান্বিত কৰে। এই কাৰকসমূহক আমি আভ্যন্তৰীণ আৰু বাহ্যিক দুই ভাগত ভগাব পাৰো।

**আভ্যন্তৰীণ কাৰক ঃ** ব্যক্তি বিশেষৰ লগত সংলগ্ন সকলোবোৰ কাৰকেই হ'ল আভ্যন্তৰীণ কাৰক। যেনে -

1. বংশগতিৰ কাৰক
2. জৈৱিক আৰু দৈহিক কাৰক
3. বুদ্ধিমত্তা
4. আৱেগিক কাৰক


টোকা

5. সামাজিক কাৰক

এই কাৰকসমূহৰ প্ৰভাৱ সম্পৰ্কে তলত দিয়া ধৰণে আমি আলোচনা কৰোঁ আহক।

1. **বংশগতিৰ কাৰক ঃ** মাকৰ গৰ্ভত ভ্ৰূণানু থিতাপি লোৱাৰ সময়ৰ পৰাই বংশগতিৰ কাৰকে ক্ৰিয়া কৰে। পিতৃ-মাতৃৰ চৰিত্ৰ বা বৈচিত্ৰ্য জিন বা ক্ৰ’ম’জমৰ সহায়ত সন্তানলৈ গতি কৰি সন্তানৰ চৰিত্ৰ বা ব্যৱহাৰিক দিশ থিৰাং হয়। সন্তানৰ ভৱিষ্যতৰ বৃদ্ধি আৰু বিকাশ এই বংশগতিৰ কাৰকৰ ওপৰত বহুখিনি নিৰ্ভৰশীল। শিশুৰ দৈহিক গঠন, অংগতন্ত্ৰৰ বিকাশ, শৰীৰ তত্ত্ব আদি বংশগতিৰ কাৰকে ভালেখিনি নিৰ্ণয় কৰে।

2. **জৈৱিক আৰু দৈহিক কাৰক ঃ** এটা শিশুৰ শাৰীৰিক, দৈহিক গঠন, শৰীৰ তত্ব আদিয়ে শিশুটিৰ জীৱনজোৰা বৃদ্ধি আৰু বিকাশত প্ৰভাৱ বিস্তাৰ কৰে। এই প্ৰভাৱ আমি তলত দিয়া ধৰণে ভাগ কৰি বুজাব পাৰোঁ।

(ক) শাৰীৰিকভাৱে দুৰ্বল শিশুৰ বা আভ্যন্তৰীণ দুৰ্বলতা থকা শিশুৰ বৃদ্ধি আৰু বিকাশ সঠিক নহয়। এনে শিশু কিছুমান বেমাৰত ভুগে আৰু ইয়াৰ ফলত শিশুটি মানসিক, সামাজিক আৰু আৱেগিক ভাৱে বাধাগ্ৰস্ত হয়।

(খ) স্নায়ুতন্ত্ৰই অংগতন্ত্ৰৰ মাজত আৰু শৰীৰ আৰু পৰিৱেশৰ মাজত সংযোগ স্থাপন কৰি বৃদ্ধি আৰু বিকাশত প্ৰভাৱ বিস্তাৰ কৰে।

(গ) শৰীৰত থকা অন্তঃশ্ৰাৱী গ্ৰন্থিসমূহে নিৰ্দিষ্ট হৰম’ন ক্ষৰণ কৰে। এই হৰম’নবোৰ তেজৰ সহায়ত নিৰ্দিষ্ট অংগলৈ গৈ অংসমূহৰ কাৰ্য সক্ৰিয় কৰি তোলে। এনেদৰে অন্তঃস্ৰাৱী গ্ৰন্থিসমূহে নিঃসৰিত কৰা হৰম’নৰ সহায়ত শিশুৰ শাৰীৰিক, সামাজিক, আৱেগিক আৰু ব্যৱহাৰিক দিশতো প্ৰভাৱ বিস্তাৰ কৰে। আমি ক’ব পাৰোঁ ভাৰসাম্য বৃদ্ধি আৰু বিকাশৰ বাবে অন্তঃস্ৰাৱী গ্ৰন্থিসমূহ অতি প্ৰয়োজনীয়। যেতিয়া অন্তঃস্ৰাৱী গ্ৰন্থিয়ে নিঃসৰিত কৰা হৰম’নৰ পৰিমাণ হীনদেৰি হয় তেতিয়া মানুহৰ বৃদ্ধি আৰু বিকাশত বিৰূপ প্ৰভাৱ পৰে।

3. **বুদ্ধিমত্তা ঃ** শিকাৰ ক্ষমতা, সঠিক সময়ত সঠিক সিদ্ধান্ত ল’ব পৰা আদিয়ে শিশুৰ বৃদ্ধি আৰু বিকাশত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। এজন মানুহৰ বুদ্ধিমত্তাই তেওঁৰ সামাজিক ব্যৱহাৰ, বিবেক, আৱেগ আদি নিয়ন্ত্ৰণ কৰি মানুহজনৰ ব্যক্তিত্বৰ বিকাশ ঘটায়। গতিকে এজন শিশুৰ বুদ্ধিমত্তাই তেওঁৰ শাৰীৰিক, সামাজিক, আৱেগিক, গুণগতমান আৰু ভাষাৰ বিকাশৰ ক্ষেত্ৰত প্ৰভাৱিত কৰে।

4. **আৱেগিক কাৰক ঃ** আৱেগিক কাৰক যেনে - আৱেগিক স্থিৰতা, পৰিপক্কতা আদিয়ে মানুহৰ সামগ্ৰিক বৃদ্ধি আৰু বিকাশত প্ৰভাৱিত কৰে। এজন শিশু যদি নেতিবাচক আৱেগ যেনে - খং, ভয়, হিংসা আদিৰ দ্বাৰা নিয়ন্ত্ৰণ হয় তেন্তে সেই শিশুৰ শাৰীৰিক, মানসিক, সামাজিক, গুণগত মান আৰু ভাষাৰ বিকাশত বাধাপ্ৰাপ্ত হয়। এজন মানুহৰ যদি তেওঁৰ



টোকা



আৱেগৰ ওপৰত যুক্তিসংগত নিয়ন্ত্ৰণ নাথাকে তেন্তে বৃদ্ধি আৰু বিকাশ বাধাগ্ৰস্ত হয়।

**5. সামাজিক কাৰক ঃ** এজন মানুহৰ সামাজিকীকৰণ প্ৰক্ৰিয়াই তেওঁৰ বৃদ্ধি আৰু বিকাশত প্ৰভাম্বিত কৰে। সমাজৰ পৰা শিকা বিভিন্ন কথাই মানুহৰ বৃদ্ধি আৰু বিকাশত সহায় কৰে।

**বাহ্যিক কাৰক ঃ** ব্যক্তিজনৰ বাহিৰৰ অৰ্থাৎ চৌপাশৰ যিবোৰ কাৰকে তেওঁৰ বৃদ্ধি আৰু বিকাশত প্ৰভাৱ পেলাই সেইবোৰ কাৰককে বাহ্যিক কাৰক বোলে। এই বাহ্যিক কাৰকবোৰে মাকৰ গৰ্ভত ভ্ৰূণানু থিতাপি লোৱাৰ সময়ৰ পৰা প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। তলত এই কাৰকবোৰৰ চমু ব্যাখ্যা দিয়া হ'ল—

1. **মাকৰ গৰ্ভৰ পৰিৱেশ ঃ** ভ্ৰূণানুৰ বৃদ্ধি আৰু বিকাশৰ বাবে মাকৰ গৰ্ভত প্ৰয়োজনীয় পুষ্টি থকাটো অতি প্ৰয়োজন। তলত ইয়াৰ কাৰকসমূহ আলোচনা কৰা হ'ল—



(ক) গৰ্ভধান অৱস্থাত মাকৰ শাৰীৰিক আৰু মানসিক স্থিতি।

(খ) গৰ্ভত এটা নে যমজ সন্তানে থিতাপি লৈছে।

(গ) মাকৰ গৰ্ভত ভ্ৰূণটোৱে আহৰণ কৰা পুষ্টিৰ পৰিমাণ আৰু গুণগত মান।

(ঘ) মাকৰ গৰ্ভত ভ্ৰূণটোৱে কোনো ৰেডিয়েচন বা এক্সৰেৰ সন্মুখীন হৈছে নেকি?

(ঙ) স্বাভাৱিক বা অস্বাভাৱিক প্ৰসৱ।

(চ) গৰ্ভত থাকোতে সন্তানটোৱে পোৱা আঘাত।

2. **জন্মৰ পিছৰ পৰিৱেশ ঃ** জন্মৰ পিছত চৌপাশত থকা বিভিন্ন অৱস্থা আৰু কাৰকে শিশুৰ বৃদ্ধি আৰু বিকাশত বিভিন্ন ধৰণে প্ৰভাৱ পেলায়। তলত ইয়াৰ আলোচনা আগবঢ়োৱা হ'ল—

**(ক) জীৱনত ঘটি থকা দুৰ্ঘটনা আৰু ঘটনা ঃ** দুৰ্ঘটনা আৰু আনুসংগিক ঘটনাই মানুহৰ বৃদ্ধি আৰু বিকাশ বাধাগ্ৰস্ত কৰে। সৰু বৰ কিছুমান দুৰ্ঘটনা বা আঘাতে মানুহৰ বিকাশৰ গতি কেতিয়াবা সলনি কৰি দিয়ে। উদাহৰণ স্বৰূপে এজন শিশুৰ মূৰত আঘাতপ্ৰাপ্ত হৈ যদি স্নায়ুতন্ত্ৰৰ বিকাৰ ঘটে তেতিয়া সেই শিশুটিৰ মানসিক বিকাশত যতি পৰে আৰু ফলত তেওঁ সামাজিক, আৱেগিক, গুণগত আৰু শাৰীৰিকভাৱে বাধাপ্ৰাপ্ত হয়।

**(খ) ভৌতিক পৰিৱেশ, চিকিৎসা সেৱা আৰু পুষ্টি ঃ** ভৌতিক পৰিৱেশ যেনে ঃ মুক্ত ঠাই, বাস কৰা আৰু কাম কৰা ঠাইৰ অৱস্থা, সঠিক চিকিৎসা সেৱা আদিয়ে শিশুৰ



টোকা

বৃদ্ধি আৰু বিকাশ প্ৰভান্বিত কৰে। শিশুটিয়ে যেতিয়া এই কাৰককবোৰ প্ৰয়োজন অনুসৰি লাভ কৰিবলৈ সক্ষম হয় তেতিয়া শিশুটোৰ বৃদ্ধি আৰু বিকাশে পূৰ্ণতা পায়।

**(গ) সামাজিক সাংস্কৃতিক পৰিৱেশ ঃ** সামাজিক, সাংস্কৃতিক পৰিৱেশত শিশুৱে ভাল পোৱা কৰ্ম কৰিবলৈ অনুমতি পালে সেই কৰ্মত তেওঁ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। শিশুৰ এনে কিছুমান সামাজিক সাংস্কৃতিক অৱস্থা তলত আলোচনা কৰা হ'ল—

1. পৰিয়াল আৰু অভিভাৱকৰ পৰা পোৱা যত্ন।
2. পৰিয়াল আৰু পিতৃ-মাতৃৰ আৰ্থ-সামাজিক অৱস্থা।
3. চৌপাশৰ পৰিৱেশ আৰু ওচৰ চুবুৰীয়াৰ গুণগত মান।
4. শিশুৱে অধ্যয়ন কৰা বিদ্যালয়ৰ অৱস্থা।
5. যুৰীয়া সম্পৰ্ক আৰু শিশুটিৰ বন্ধুবৰ্গৰ গুণগত মান।
6. জাতি, ধৰ্ম, ৰাষ্ট্ৰীয়তা বা নাগৰিকত্ব অনুযায়ী শিশুটিয়ে পোৱা ব্যৱহাৰ।
7. শিশুটিয়ে আহৰণ কৰা শৈক্ষিক আৰু বৃত্তিগত শিক্ষাৰ সুবিধা।
8. শিশুটিক লাভান্বিত কৰা চৰকাৰী আঁচনি, ইয়াৰ ব্যৱহাৰ, আইন আৰু সামাজিক সংগঠনৰ শিশুৰ প্ৰতি থকা দায়িত্বৰ গুণগত মান।
9. শিশুৱে যিখন দেশত বাস কৰে সেই দেশৰ ক্ষমতা আৰু অৱস্থা গুণগত মান।

**স্ব-মূল্যায়নৰ বাবে প্ৰশ্নোত্তৰ - 6**



- ৭৫ টা শব্দৰ ভিতৰত দুটা মুখ্য কাৰকে শিশুৰ বৃদ্ধি আৰু বিকাশ কিদৰে প্ৰভান্বিত কৰে — ব্যাখ্যা কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................



টোকা



## 1.6 বৃদ্ধি আৰু বিকাশৰ স্তৰ ঃ

দুটা শাখাত শিশুৰ বৃদ্ধি আৰু বিকাশ সম্পৰ্কে ইয়াত আলোচনা কৰা হৈছে— এটা শাখা হ'ল- বৃদ্ধি আৰুবিকাশৰ ধৰণ আৰু ইয়াৰ প্ৰভাৱ আৰু আনটো হ'ল শিক্ষণ-শিকনৰ বাবে বৃদ্ধি আৰু বিকাশ।

### 1.6.1 কেঁচুৱাৰ পৰা কৈশোৰ কাললৈ বিকাশৰ স্তৰ আৰু ইয়াৰ প্ৰভাৱ ঃ

বিকাশৰ প্ৰধান স্তৰসমূহ হ'ল —

i. জন্মৰ পৰা 2 বছৰলৈ কেঁচুৱা।

ii. 2 বছৰৰ পৰা 2 বছৰলৈ প্ৰাক শৈশৱ।

iii. 6 বছৰৰ পৰা 12 বছৰলৈ - শৈশৱ।

iv. 12 বছৰৰ পৰা 19 বছৰলৈ বয়সসন্ধি।

1. **কেঁচুৱা কাল ঃ** জন্মৰ পৰা 2 বছৰলৈ—

**শাৰীৰিক বিকাশ ঃ** এই কালছোৱাত শিশুৰ ক্ষিপ্ৰভাৱে বিভিন্ন ধৰণৰ শাৰীৰিক বিকাশ হয়। শিশুৱে ইন্দ্ৰিয়ৰ দ্বাৰা পৰিৱেশৰ পৰা শিকিবলৈ আৰম্ভ কৰে আৰু শৰীৰ ডাঙৰ হ'বলৈ আৰম্ভ কৰে, আঁঠু ল'বলৈ আৰু খোজ ল'বলৈ আৰম্ভ কৰে। ক্ৰম অনুযায়ী শিশুৰ শাৰীৰিক বিকাশ হয়। প্ৰথমে হাত ভৰিৰ ব্যৱহাৰ, বহিব পৰা, চুঁচৰি যাব পৰা বা আঁঠু লোৱা, বাগৰিব পৰা, থিয় হ'ব পৰা আৰু তাৰ পিচত খোজ ল'বলৈ আৰম্ভ কৰে। 4 মাহত শিশুৱে বাগৰিব পাৰে, 6 মাহৰ ভিতৰত বহিব পাৰে, এবছৰৰ ভিতৰত আঁঠু ল'ব আৰু খোজ ল'ব পাৰে আৰু 2/3 বছৰৰ ভিতৰত হাত ভৰিৰ ব্যৱহাৰ ক্ষিপ্ৰ হয়। জন্মৰ পিছতে শিশুৰ গলৰ মাংসপেশী মজবুত নহয় বাবে মূৰটো হালি যায়। হাত আৰু ভৰিৰ যিমান লৰচৰ কৰিব সিমানেই হাত ভৰিত বিকাশ হয়। 4/5 মাহৰ ভিতৰত শিশুৱে সৰু বস্তু খামুচি ধৰিব পৰা হয় আৰু 9/12 মাহৰ ভিতৰত ডাঙৰ বস্তু খামুচিব পৰা হয় আৰু দুটা আঙুলিৰে বস্তু ধৰিব পৰা হয়। এবছৰৰ পৰা 15 মাহৰ ভিতৰত শিশুৱে থৰক বৰককৈ খোজ কাঢ়ে আৰু 15 মাহত শিশুৱে আচবাবক সাৰথি কৰি বগাবলৈ আৰম্ভ কৰে যদিও পিছুৱাই আহিব নোৱাৰে। 18 মাহৰ ভিতৰত ভাৰসাম্য সহকাৰে শিশুৱে খোজ ল'ব পৰা হয়, চাৰিওদিশে খোজ দিব পৰা হয় আনকি দৌৰিব পৰাও হয়। 2 বছৰ হোৱাৰ সময়ত বস্তু দলিয়াব পৰা আৰু লঠিয়াব পৰা হয়। 2 বছৰৰ মূৰত জপিয়াব পৰা হয় আৰু তিনি চকীয়া চাইকেল চলাব পৰা হয়। শিশুৱে এতিয়া এঠাইৰ পৰা আন ঠাইলৈ সহজে খোজ দি, দৌৰি যাব পৰা হয়।

**ভাষাৰ বিকাশ ঃ** শিশুৱে জন্মিয়েই কান্দি যোগাযোগ আৰম্ভ কৰে। যেতিয়া ভোক



টোকা

লাগে, অস্বস্তি অনুভৱ কৰে বা মনোযোগ আকৰ্ষণ কৰিব বিচাৰে তেতিয়া শিশুৱে কান্দে। শিশুৱে জন্মৰ পৰা ভাষা শিকিবলৈ আৰম্ভ কৰে। 8-10 ইঞ্চি আঁতৰৰ পৰা যেতিয়া শিশুৰ সমুখত কথা কোৱা যায় তেতিয়া মুখৰ আকাৰ ইংগিত অনুযায়ী শিশুৱে ভাষা শিকিবলৈ আৰম্ভ কৰে। 2/3 মাহত শিশুৱে কিছুমান শব্দৰে নিজৰ ভাব প্ৰকাশ কৰিবলৈ চেষ্টা কৰে। 4 মাহত শিশুৱে বেছিকৈ আৰম্ভ কৰে আৰু কিছুমান শব্দ যেনে - পাপা, মামা, আপু আদি উচ্চাৰণ কৰিবলৈ আৰম্ভ কৰে। 5 মাহত শিশুৱে সংগীতৰ শব্দ শিকিবলৈ আৰম্ভ কৰে আৰু ওচৰত থকাজনৰ কথা কোৱাৰ ধৰণ অনুসৰণ কৰিবলৈ আৰম্ভ কৰে। 6 মাহত শিশুৱে বুজি নোপোৱা কিছুমান কথা ক'বলৈ আৰম্ভ কৰে আৰু 7 মাহত আনৰ লগত কথা ক'বলৈ আৰম্ভ কৰে। 8 মাহত শিশুৱে ওচৰত থকাজনৰ দৰে কথা ক'বলৈ আৰু কথাৰ অৰ্থ উলিয়াবলৈ চেষ্টা কৰে। যেনে - ওচৰত থকাজনে গাখীৰ বুলি ক'লে শিশুটিয়ে গাখীৰৰ বটলৰ ফালে চকু দিয়ে। এবছৰৰ ভিতৰত শিশুৱে মাকৰ বা ওচৰত থকাজনৰ সকলো ভাষা শিকিবলৈ মন কৰে আৰু 'মামা' 'দাদা' আদি শব্দ ক'বলৈ ধৰে। অৱশ্যে শিশুভেদে ভাষা শিকনৰ পৰিমাণ বেলেগ বেলেগ হয়। এবছৰৰ পিছত শিশুৰ ভাষা শিকন প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ হয় আৰু নতুন শব্দ আহৰণ কৰিবলৈ চেষ্টা কৰে। তেওঁলোকে ভাল পোৱা শব্দ শিকাত বেছি আগ্ৰহী হয়। 18-24 মাহৰ ভিতৰত শিশুৱে 2/3 টা শব্দ লগ লগাই এটা বাক্য ক'ব পৰা হয়। 20 মাহত শিশুৱে 50 টা শব্দ আৰু 24 মাহত শিশুৱে 100 টাতকৈও বেছি শব্দ শিকে।

**সংজ্ঞাত্মক বিকাশ ঃ** দুবছৰৰ ভিতৰত শিশুৱে শাৰীৰিক বা ভাষাৰ বিকাশৰ উপৰি মানসিক আৰু বৌদ্ধিক বিকাশো লাভ কৰে। কিন্তু মানসিক বিকাশ জোখাটো তুলনামূলকভাৱে টান কাম। পিয়াজেট'ৰ সংজ্ঞাত্মক বিকাশ তত্ব আৰু ইৰিক্সনৰ মনোবিজ্ঞানীক স্তৰ তত্বৰ আধাৰত আমি সংজ্ঞাত্মক বিকাশ জুখিব পাৰো। পিয়াজেটৰ তত্ব অনুসৰি নতুনকৈ জন্ম লাভ কৰা শিশুৱে নিজৰ স্বাভাৱিক প্ৰবৃত্তি অনুসৰি বিচৰা প্ৰয়োজনীয়তা যেনে — খাদ্য, বায়ু আৰু মনোযোগ আদি লাভ কৰিবৰ বাবে পৰিৱেসৰ লগত আন্তঃক্ৰিয়া কৰে। পিয়াজেটে বিশ্বাস কৰে যে কেঁচুৱাই ইন্দ্ৰিয়ৰ সহায়ত পৰিৱেশৰ বিষয়ে শিকিবলৈ আৰম্ভ কৰে আৰু নিজৰ লক্ষ্যত উপনীত হ'বলৈ পৰিৱেশৰ লগত জড়িত হৈ পৰে। অৰ্থাৎ তেওঁলোকে প্ৰথমে কি সিদ্ধি কৰিব বিচাৰে আৰু কেনেকৈ সিদ্ধি হ'ব সেই সাপেক্ষে কৰ্মত নিয়োজিত হয়। উদ্দেশ্য সাপেক্ষে কোনো এটা বস্তু পাবৰ বাবে কেঁচুৱাই চেষ্টা কৰে আৰু এই প্ৰক্ৰিয়াই শিশুৰ বোধশক্তিৰে বিকাশ ঘটায়। গতিকে কেঁচুৱা অৱস্থাত শিশুৰ সংজ্ঞাত্মক বিকাশৰ দুটা প্ৰধান ধাৰা হ'ল শিশুৰ লক্ষ্যযুক্ত ব্যৱহাৰ আৰু উদ্দেশ্য সাপেক্ষ স্থিৰতা।

**আৱেগিক/সামাজিক বিকাশ ঃ** কেঁচুৱাই ৰুচি, বিপত্তি, বিৰক্তি, আনন্দ আদি জন্মৰ পৰা অনুভৱ কৰিব পাৰে। শাৰীৰিক প্ৰকাশভংগীৰ জৰিয়তে এই অনুভৱবোৰৰ উপস্থাপন

টোকা

কৰিব পাৰে। কেঁচুৱাই 2/3 মাহত হাঁহিবলৈ আৰম্ভ কৰে আৰু 4 মাহত ভালকৈ হাঁহিব পৰা হয়। 2 ৰ পৰা 6 মাহৰ ভিতৰত কেঁচুৱাই খং, দুখ, আচৰ্য, ভয় আদি অনুভৱ কৰি প্ৰকাশ কৰিব পাৰে। 6 মাহত কেঁচুৱাই অন্যৰ আৱেগ আৰু প্ৰকাশভংগী, অনুসৰণ কৰিব পৰা হয়। 8 ৰ পৰা 10 মাহৰ ভিতৰত কেঁচুৱাই অন্য ভাৱনা প্ৰকাশ কৰে আৰু বেছি আৱেগিক হৈ পৰে। তেওঁলোকে তেতিয়া আৱেগিকভাৱে চৰম সুখৰ পৰা চৰম দুখলৈ যাব পৰা হয়। এবছৰত কেঁচুৱাই ঈৰ্ষা পৰায়ণ হ'বলৈ শিকে আৰু দুবছৰ হোৱা পৰ্যন্ত তেওঁলোকৰ আৱেগিক বিকাশ হৈ থাকে। 13 আৰু 18 মাহৰ ভিতৰত কেঁচুৱাৰ উদ্দেশ্য সুস্থিৰ হয় বাবে ভাৱনাবোৰ পৰিবৰ্তন হয় আৰু তেওঁলোকে ভাবিবলৈ ধৰে যে তেওঁলোকৰ যত্ন লোৱাজন দেখা নাপালেও আঁতৰি যোৱা নাই। এই সময়ত যেতিয়া যত্নলোৱাজন ওচৰত নাথাকে তেওঁলোকে পুতলা জাতীয় বস্তুৰ সহায়ত অকলে থাকিব পৰা হয়। 15 ৰ পৰা 18 মাহৰ ভিতৰত কেঁচুৱাই আৱেগৰ বশৱৰ্তী হৈ বস্তু দলিওৱা আৰম্ভ কৰে আৰু 21 মাহ পাৰ হোৱাৰ পিছত এই স্বভাৱৰ শাম কাটে। এই সময়ত তেওঁলোকৰ আত্ম সচেতনতা বৃদ্ধি পায় আৰু কৰ্ম কৰাৰ বাবে যত্ন লোৱাজনৰ নিৰ্দেশক গুৰুত্ব দিয়ে। দুই বছৰত তেওঁলোকৰ আৱেগিক বিকাশৰ পৰিসৰ বৃদ্ধি পায় আৰু আৱেগক নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰে। আচলতে তেওঁলোকে কিবা এটা পাবৰ বাবে এই বয়সত আৱেগিক হোৱাৰ ভাওঁ ধৰে। এই বয়সত তেওঁলোকে আৱেগৰ জৰিয়তে আনক আঘাত কৰা কথাৰো উমান পায় আৰু তাৰ পিছতে মানুহজনৰ প্ৰতি ব্যৱহাৰত শিথিলতাও আনিবলৈ শিকে।

II প্ৰাক শৈশৱ (2 বছৰৰ পৰা 6 বছৰলৈ)

1. **শাৰীৰিক বিকাশ ঃ** কেঁচুৱা কালত যেনেদৰে শিশুৰ বৃদ্ধি হয়, 2 বছৰৰ পৰা 6 বছৰৰ ভিতৰত সেই ধৰণে বৃদ্ধি নহয়। এই সময়ছোৱাত শিশুৱে প্ৰাপ্তবয়স্কৰ আকাৰ ল'বলৈ আৰম্ভ কৰে। ভৰি বৃদ্ধি ক্ষিপ্ৰতৰ হয় আৰু শৰীৰৰ মুঠ ওজনৰ প্ৰায় আধা হয়। মূৰৰ বিকাশ ধীৰ হয় আৰু কঁকাল অংশৰ বৃদ্ধি মধ্যমীয়া হয়। সাধাৰণতে 3 বছৰীয়া ল'ৰা শিশুৰ ওজন প্ৰায় 33 পাউণ্ড হয় আৰু উচ্চতা প্ৰায় 38 ইঞ্চি হয়। তুলনামূলকভাৱে ছোৱালীৰ বৃদ্ধি ল'ৰাতকৈ কম হয়। 5 বছৰত ল'ৰাৰ ওজন গড় হিচাপত 43 পাউণ্ড হয় আৰু উচ্চতা 43 ইঞ্চি হয়। পিতৃ-মাতৃৰ উচ্চতা, পুষ্টি, বেমাৰ আদি বিভিন্ন কাৰকে শিশুৰ ওজন আৰু উচ্চতাত প্ৰভাৱ পেলায়। ওজন আৰু উচ্চতাৰ বাহিৰেও এই সময়ত শিশুৰ কিছুমান শাৰীৰিক আৰু আভ্যন্তৰিক পৰিৱৰ্তন হয়। মাংসপেশীৰ বিকাশ ক্ষিপ্ৰ হয়, ডাঙৰ মাংসপেশীবোৰৰ বিকাশ সৰু আৰু যুগ্ম মাংসপেশীতকৈ বেছি হয়। উশাহ-নিশাহ আৰু নাৰী স্পন্দনৰ হাৰ কমি যায়, ৰক্তচাপ তুলনামূলকভাৱে বৃদ্ধি পায়। মগজু প্ৰায় 90 শতাংশ বিকাশ হয়। শিশুৰ প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ সময়ত মগজুৰ স্নায়ুতন্ত্ৰবোৰ পৰিপক্ক হয়।

টোকা

2. **বোধ আৰু অনুভৱৰ বিকাশ ঃ** প্ৰাক শৈশৱকালত শিশুৰ হাতেৰে কৰ্ম কৰাৰ কৌশল বৃদ্ধি হয় আৰু পিছৰ পৰ্যায়ত ইয়াৰ পুনৰাবৃত্তি হয়। 5/6 বছৰৰ ভিতৰত নিজে খোৱা, নিজে কাপোৰ পিন্ধা, গা-ধোৱা, চুলি আচোৰা, পুতলাৰ সৈতে খেলা, জপিওৱা আদি কাৰ্যবোৰৰ বিকাশ হয়। তলত দিয়া তালিকাখনৰ জৰিয়তে 2 বছৰৰ পৰা 5 বছৰলৈ শিশুৰ বিকাশৰ নিয়মৰ কথা উল্লেখ কৰা হৈছে।

## বিকাশৰ নিয়ম

| চালক পেশী | 2 বছৰ | 3 বছৰ | 4/5 বছৰ |
|---|---|---|---|
| বিকাশ | সহায় নোলোৱাকৈ খোজ কঢ়া, জপিওৱা, দৌৰা | একে ঠাইতে জপিওৱা | মুক্ত আৰু সক্ৰিয় গতিশীলতা, সংগীতৰ প্ৰতি সঁহাৰি |
| যুগ্ম চালক সমন্বয় | অনুসৰণ কৰা | আকৃতি মিলাব পৰা, সাদৃশ্য আৰু বৈসাদৃশ্য উলিয়াব পৰা | ৰং চিনাক্ত কৰিব পৰা |
| বোধ আৰু অনুভৱ | নিজক চিনি পোৱা, ৰং মিলাব পৰা | জাল আৰু বাকচ মিলোৱা | আকৃতি আৰু ৰং মিলোৱা, নাম চিনাক্ত কৰিব পৰা |
| কথা কোৱা | 200 শব্দ ব্যৱহাৰ কৰিব পৰা | 900 শব্দৰ ব্যৱহাৰ জনা, নিৰ্দেশ অনুসৰণ কৰা | 4টা অংক পুনঃ ক'ব পৰা, 2000 ৰ পৰা 3000লৈ শব্দ ব্যৱহাৰ কৰিব পৰা, শব্দ গঠন কৰিব পৰা |
| ব্যৱহাৰৰ অভিযোজন | বাতি ধৰিব পৰা হোৱা | ব্লক গঠন কৰিব পৰা, মানুহৰ ছবি আঁকিব পৰা | 4 টা অংক জনা, শৰীৰৰ সকলো অংগলৈ শৰীৰটো আঁকিব পৰা। |





টোকা



3. **ভাষাৰ বিকাশ ঃ** শিশুৰ জন্মৰ ক্ৰন্দনৰ দিনৰ পৰা ভাষাৰ বিকাশ হয়। 10 মহীয়া শিশুৱে এটা শব্দ ব্যৱহাৰ কৰিব পৰা হয় কিন্তু এবছৰ হোৱাৰ পিছত শিশুটোৱে 4/5টা শব্দ ক'ব পৰা হয়। ঘৰুৱা পৰিৱেশ আৰু প্ৰাক শৈশৱ প্ৰশিক্ষণৰ ওপৰত শিশুৰ কথা কোৱাৰ হাৰ নিৰ্ভৰ কৰে। তলত দিয়া তালিকাখনৰ জৰিয়তে শিশুৰ কথা জনাৰ পৰিমাণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

| **বয়স** | **শব্দ ক'ব পৰা** | **বয়স** | **শব্দ ক'ব পৰা** |
|---|---|---|---|
| 1 বছৰ | 3 | 4 বছৰ | 1560 |
| 2 বছৰ | 272 | 6 বছৰ | 2562 |
| 3 বছৰ | 896 | ---- | --- |

**4 মানসিক বিকাশ ঃ** শিশুৰ দুবছৰ হোৱাৰ পিছত মানসিক বিকাশ ক্ষিপ্ৰতৰ হয়। প্ৰাক শৈশৱ কালৰ মানসিক বিকাশৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) শাৰীৰিক আৰু সামাজিক বাস্তৱিকতাৰ প্ৰতি শিশুৰ ধাৰণাৰ আৰম্ভ হোৱা।

(খ) 6 বছৰত শিশুৰ আকাৰ, আকৃতি, ৰং, সময় আৰু দূৰত্ব সম্পৰ্কে অৱধাৰণাৰ জন্ম হয়।

(গ) মুখস্থ শক্তি বৃদ্ধি হয় আৰু নুবুজাকৈ মুখস্থ কৰিবলৈ শিকে।

(ঘ) শিশুৰ সৃজনীমূলক প্ৰতিভাৰ বিকাশ হয় আৰু কল্পনাশক্তিৰ বিকাশ হয়।

(ঙ) মূৰ্ত বস্তুৰ সম্পৰ্কত শিশুৰ চিন্তাশক্তি আৰু যুক্তিবাদৰ বিকাশ হয়।

(চ) মনোযোগৰ সময় 7 মিনিটৰ পৰা 20 মিনিটলৈ বৃদ্ধি হয় আৰু পৰিৱেশৰ পৰা উদ্‌ঘাটন কৰাৰ প্ৰতি ৰুচি বৃদ্ধি হয়।

(ছ) শিশুৱে ভাষাত চিহ্ন ব্যৱহাৰ কৰিব পৰা হয়, সাংকেতিক ভংগীমা দিব পৰা হয় আৰু সমস্যা সমাধানত জড়িত কৰিব পৰা হয়।

(জ) চৌপাশৰ পৰিৱেশ সম্পৰ্কত শিশুৱে প্ৰশ্ন সোধা আৰম্ভ কৰে।

5. **সামাজিক বিকাশ ঃ** সমাজত থকা নীতি নিয়ম অনুসৰি আৰু সামাজিক পৰিৱেশ অনুযায়ী শিশুৰ সামাজিক বিকাশ হয়। তলত ইয়াৰ নমুনা উল্লেখ কৰা হ'ল—

(ক) বিশ্বাস আৰু অবিশ্বাসৰ প্ৰতি আৰু পৰিৱেশৰ প্ৰতি শিশুৰ সচেতনতা বৃদ্ধি হয়।

(খ) শিশুৱে নিজৰ নিয়ন্ত্ৰণত থাকিব বিচাৰে আৰু পৰিৱেশৰ পৰা উদ্‌ঘাটন কৰিবলৈ বিচাৰে।

(গ) ঘৰৰ পৰিৱেশৰ উপৰি সামাজিক পৰিৱেশৰ বিকাশ হয়।

(ঘ) দ্বিধাহীনভাৱে ল'ৰা-ছোৱালী একেলগে খেলিবলৈ আৰম্ভ কৰে।



টোকা

(ঙ) পৰস্পৰে পৰস্পৰৰ প্ৰতি সহযোগ কৰিবলৈ শিকে আৰু বন্ধুত্ব গঢ়ি উঠে।

(চ) জীৱ-জন্তুৰ সাধুকথাৰ প্ৰতি আৰু পৰীসাধুৰ প্ৰতি শিশুৰ ৰুচিবোধ বাঢ়ে।

(ছ) 3 বছৰৰ পৰা 6 বছৰৰ ভিতৰত সামাজিক অৱস্থাৰ বাবে শিশুৰ মনত নেতিবাচক চিন্তাৰ উদ্বেগ হয়। প্ৰাপ্তবয়স্ক মানুহৰ পৰা শিশুটিয়ে সিমানেই অশান্তি পাব যিমানেই শিশুৰ মনত নেতিবাচক চিন্তাৰ উদ্বেক হ'ব।

(জ) খেলাধূলাত ছোৱালীবোৰ বেছি পাৰ্গত হয়।

(ঝ) শিশুৱে কৰা কৰ্মৰ সামাজিক স্বীকৃতি বিচাৰে।

**6. আৱেগিক বিকাশ ঃ** সামাজিক অভিযোজন আৰু ব্যক্তিগত বিকাশৰ বাবে জীৱনত আবেগে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ব্যক্তিত্ব বিকাশৰ বাবে আবেগে তলত দিয়া ধৰণে প্ৰভাৱ বিস্তাৰ কৰে—

(ক) নিৰ্দিষ্ট পৰিৱেশৰ মুখামুখি হ'বৰ বাবে আবেগে শক্তি প্ৰদান কৰে।

(খ) আবেগে আমাৰ ব্যৱহাৰৰ অভিৰোচক হিচাপে কাম কৰে।

(গ) আবেগে দৈনন্দিন অভিজ্ঞতা আনন্দদায়ক কৰে।

(ঘ) সামাজিক অভিযোজন প্ৰভাৱন্বিত কৰে।

(ঙ) অতিমাত্ৰা আৱেগৰ ফলত মানুহৰ মানসিক ভাৰসাম্যতা হেৰাই যায়, যুক্তিবাদ আৰু চিন্তাশক্তি বাধাপ্ৰাপ্ত হয়।

(চ) আবেগে যোগাযোগৰ মাধ্যম হিচাপে কাম কৰে আৰু সামাজিক মৰ্যাদা অনুযায়ী ব্যক্তিৰ বিকাশত সহায় কৰে।

(ছ) আৱেগৰ পৰা বঞ্চিত হ'লে ব্যক্তিত্ব বিকাশত বাধাপ্ৰাপ্ত হয়।

শিশুৱে তলত উল্লেখ কৰা আৱেগিক বৈশিষ্ট্যসমূহ আহৰণ কৰে—

(ক) আৱেগ সঘনাই সৃষ্টি হয়।

(খ) এটা মূৰ্ত বস্তুৰ সৈতে সম্পৰ্ক ৰাখিহে আৱেগ সৃষ্টি হয়।

(গ) আৱেগ ক্ষণস্থায়ী। শিশুৱে আৱেগ সঘনাই পৰিবৰ্তন কৰে। যেনে- কান্দিলে শিশুক যদি চকলেট দিয়া হয় তেন্তে শিশুটোৱে আনন্দ উপভোগ কৰে।

(ঘ) যিকোনো উদ্দীপকৰ প্ৰতি প্ৰাক শৈশৱ কালৰ শিশুৱে আৱেগ প্ৰকাশ কৰিব পাৰে।

(ঙ) শিশুৱে আৱেগক লুকাই ৰাখিব নোৱাৰে। তেওঁলোকে পৰিৱেশ অনুযায়ী হাঁহিব কান্দিব বা আঙুলি তোৱাব।

(চ) আৱেগ পৰিৱৰ্তনশীল। কম বয়সত যিটো আৱেগ শক্তিশালী আছিল শিশুৰ বয়স হোৱাৰ লগে লগে এই আৱেগবোৰ হ্ৰাস পায়। অৰ্থাৎ বয়স অনুযায়ী আৱেগিক দিশৰ পৰিৱৰ্তন হয়। এই পৰিৱৰ্তন শিশুৰ মানসিক বিকাশ,



টোকা



ৰুচিবোধ, মূল্যবোধ আদিৰ বাবে হয়।

**III. শৈশৱ কাল ঃ** (6 বছৰৰ পৰা 12 বছৰলৈ) এই কালছোৱাত শিশুৰ বিভিন্ন বিকাশ হয়। পিতৃ-মাতৃ আৰু শিক্ষকসকলে শিশুসকলৰ কৰ্মকাণ্ডৰ প্ৰতি আচৰিত হয় আৰু শিশুৱেও আৱেগিকভাৱে জেদী হয়। এই সময়ছোৱাত অভিভাৱক আৰু শিক্ষকৰ পৰামৰ্শ আৰু সহযোগিতা অতি প্ৰয়োজন। 8 বছৰৰ পৰা 12 বছৰ ভিতৰত শিশুৰ মস্তিষ্কৰ বিকাশ ক্ষিপ্ৰতৰ হয়। ঘৰৰ বাহিৰত শিশুৱে এই সময়ছোৱাত প্ৰাকৃতিক পৰিৱেশত ডাঙৰ দীঘল হ'বলৈ বিচাৰে। শৈশৱ কালৰ শিশুৰ বিকাশসমূহ তলত দিয়া হৈছে।

1. **শাৰীৰিক বিকাশ ঃ** উচ্চতা আৰু ওজনৰ বৃদ্ধি তুলনামূলকভাৱে কম হয়। ছোৱালীবোৰৰ বৃদ্ধি বেছি হয়। শিশুবোৰৰ সকলোবোৰ অংগৰ বিকাশ সমভাৱে হয় আৰু তেওঁলোক ৰোগমুক্ত হয়। এই সময়ত গাখীৰ খোৱা দাঁত সৰে, স্থায়ী দাঁত গজিবলৈ আৰম্ভ কৰে আৰু মুখৰ আকৃতিৰ পৰিবৰ্তন হয়, আগমূৰ বহল হয়, নাক জোঙা হয়, বুকু বহল হয় আৰু খেলৰ জৰিয়তে পেশীবোৰ সবল হয়। সাধাৰণতে তলত উল্লেখ কৰা চকুত লগা পৰিবৰ্তনবোৰ এই সময়ছোৱাত দেখা যায়—

(ক) কৰ্ম কৰাৰ পাৰদৰ্শিতা বাঢ়ে।

(খ) শক্তি বৃদ্ধি হয়।

(গ) ভাগৰ বা অৱসাদ কম হয়।

(ঘ) খেলা-ধূলা সঠিক হয় আৰু ধৈৰ্য গুণ বৃদ্ধি হয়।

এই সময়ত শিশুসকল উদ্যোগী হয় আৰু মাংসপেশীৰ বিকাশৰ বাবে ব্যায়ামৰ প্ৰয়োজন হয়। 9 বছৰৰ পৰা 11 বছৰৰ শিশুৱে ঘৰত নাথাকি বিভিন্ন ঠাইত ঘূৰি থাকি ভাল পায়।

2. **মানসিক বিকাশ ঃ** 6 বছৰৰ পৰা 12 বছৰৰ ভিতৰত শিশুৰ তলত উল্লেখ কৰা মানসিক বিকাশবোৰ দেখা যায়।

(ক) নিজক বাহিৰৰ জগতৰ লগত তুলনা কৰিব পৰা হয় আৰু পৰিৱেশৰ অৰ্থ বিচাৰিব পৰা হয়।

(খ) 12 বছৰ বয়সত প্ৰকৃতিৰ নিয়ম সম্পৰ্কে প্ৰায় জ্ঞাত হয়।

(গ) তথ্য আৰু ধাৰণা আহৰণ কৰাৰ বাবে ইচ্ছুক হয়। মুখস্থ আৰু শিকন দৃঢ় হয়।

(ঘ) যুক্তিনিষ্ঠ চিন্তাৰ উদ্রেক হয়। মূৰ্ত বস্তুৰ ক্ষেত্ৰত শিশুৰ বাচনি কৰা, বিকাশ কৰা আৰু সংজ্ঞাত্মক ধাৰণাৰ প্ৰয়োগ ত্বৰান্বিত হয়।



টোকা

(ঙ) বিজ্ঞান বিষয়ক গল্পৰ প্ৰতি বা যান্ত্ৰিক প্ৰয়োগৰ প্ৰতি শিশুৰ ৰুচি বৃদ্ধি হয়।

(চ) অন্য খেলতকৈ কল্পনাৰ খেল বেছি প্ৰিয় হয়।

(জ) বাস্তৱ বিষয় প্ৰসংগ সাপেক্ষে কাল্পনিক গল্প পঠন, বৈজ্ঞানিক আৰু যান্ত্ৰিক তথ্য সংগ্ৰহ আদিৰ প্ৰতি আগ্ৰহ বৃদ্ধি পায়।

(ঝ) পৰিৱেশৰ ভৌতিক, যান্ত্ৰিক আৰু প্ৰাকৃতিক পৰিঘটনাৰ লগত সম্পৰ্ক স্থাপন কৰিব বিচাৰে।

(ঞ) 12 বছৰ বয়সত কাল্পনিক ভয় নোহোৱা হয়।

(ট) 12 বছৰ বয়সত শিশুৰ কোনো ঘটনাৰ কাৰণ আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে জ্ঞাত হয়।

(ঠ) সমস্যাৰ সাধাৰণ সমাধান বিচাৰিবলৈ সক্ষম হয়। সমস্যাৰ যুক্তিপূৰ্ণ বিশ্লেষণ কৰিব পৰা হয় আৰু সুষমভাৱে পৰিৱেশৰ লগত মিলি থাকিব পৰা হয়।

3. **আৱেগিক বিকাশ ঃ** জীৱনৰ বাবে আৱেগ অতি প্ৰয়োজনীয়। আৱেগ অবিহনে জীৱন নিৰৰ্থক। শিশুৰ বয়স অনুযায়ী এই আৱেগ পৰিবৰ্তন হয়। 6ৰ পৰা 12 বছৰৰ ভিতৰত শিশুৰ আৱেগিক পৰিৱৰ্তন কেনেকুৱা হয় তলত ব্যাখ্যা কৰা হ'ল—

(ক) আৱেগিক প্ৰকাশভংগীৰ পৰিবৰ্তন হয়। 12 বছৰ বয়সত শিশুৱে নিজৰ আৱেগৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব পৰা হয়।

(খ) আৱেগিক সঁহাৰি সুস্থিৰ আৰু বিশেষ ধৰণৰ হয়।

(গ) মূৰ্ত বস্তুৰ অবিহনেও আৱেগিক প্ৰকাশ ঘটিব পাৰে।

(ঘ) শিশুবোৰ আনৰ ওপৰত নিৰ্ভৰশীল বাবে তেওঁলোকৰ আৱেগিক প্ৰৱণতা বেছি।

(ঙ) শিশুৰ জন্তুৰ প্ৰতি ভয়, ওখ ঠাইৰ প্ৰতি ভয় আৰু শব্দৰ প্ৰতি ভয় নোহোৱা হয়।

(চ) কাম কৰাত বাধা দিলে শিশুৰ খং উঠে। জোকালে আমনি পাই আৰু কৰ্মস্পৃহা হ্ৰাস পায়।

(ছ) পিতৃ-মাতৃয়ে আন শিশুক বেছি মৰম কৰিলে ঈৰ্ষান্বিত হৈ উঠে।

(জ) সাধাৰণতে ল'ৰাই বেছিকৈ মৰম পাই বাবে কন্যা শিশুৱে ল'ৰা শিশুৰ প্ৰতি ঈৰ্ষান্বিত হৈ পৰে।

(ঝ) শিশুসকলৰ মাজত আনন্দ, উল্লাহ, মৰম, কৌতুহল, বিষাদ আদি দেখা যায়।

4. **সামাজিক বিকাশ ঃ** ঘৰ আৰু ওচৰ চুবুৰীয়াৰ মাজত শিশুৰ সামাজিক বিকাশ



টোকা

আৰম্ভ হয় যদিও বিদ্যালয়লৈ যোৱাৰ পিছত এই বিকাশৰ পৰিসৰ বৃদ্ধি পায়। তলত কিছুমান সামাজিক বিকাশৰ ফলত হোৱা পৰিৱৰ্তনৰ কথা কোৱা হৈছে।

(ক) সমনীয়াৰ লগত বিদ্যালয়লৈ যায় আৰু শিশুৰ সামাজিকীকৰণ প্ৰক্ৰিয়াত সমনীয়াই বিশেষ ভূমিকা পালন কৰে।

(খ) ঘৰ আৰু বিদ্যালয়ত নিয়ম-কানুন নমনা হয়।

(গ) এই সময়ছোৱাত অবাধ্য হোৱাৰ হাৰ বেছি।

(ঘ) ডাঙৰৰ চালচলন শিশুৱে ত্যাগ কৰে, নিজৰ বৈশিষ্ট্য প্ৰকাশ পায় আৰু বন্ধুৰ সংখ্যা বৃদ্ধি হয়।

(ঙ) বয়স সন্ধি ক্ষণতকৈ এই সময়ছোৱাত শিশুৰ অপৰাধ প্ৰৱণতা বেছি হয়।

(চ) লিংগ পাৰ্থক্য স্পষ্ট হয়। ল'ৰাই ল'ৰাৰ লগত আৰু ছোৱালীয়ে ছোৱালীৰ লগত খেলিবলৈ ভাল পায়। ছোৱালীয়ে ল'ৰাই কৰা কামৰ ভাল নাপায়।

(ছ) ল'ৰাবোৰ দলগত কামত বেছি শক্তিশালী হয় ছোৱালীতকৈ কামত ভাল ধৰণে সংগঠিত হ'ব পাৰে।

(জ) দলগত কাম কৰি শিশুৱে ভাল পায়। ল'ৰা-ছোৱালীয়ে নিজা দল গঠন কৰিব খোজে। শিশুবোৰ নিঃস্বাৰ্থ হয় আৰু আত্মকেন্দ্ৰিক নহয়। সহযোগিতাৰে কামবোৰ কৰি ভাল পায়।

(ঝ) সামাজিক সচেতনতা ক্ষিপ্ৰগতিত বৃদ্ধি পায়। এই সময়ছোৱাক 'গেং এজ' বুলি কোৱা হয় আৰু তেওঁলোকে নিজৰ সংগী বিচাৰি কৰ্মত নিয়োজিত হয়। দলৰ হৈ কাম কৰি গৌৰৱ কৰে আৰু দলৰ হৈ থিয় দিয়ে।

**শৈক্ষিক প্ৰভাৱ ঃ**

1. শিশুৰ অনুভৱ প্ৰকাশ কৰাৰ কাৰণে বিদ্যালয়ত সঠিক পৰিৱেশ ৰচনা কৰিব লাগে।
2. ঘৰ আৰু বিদ্যালয়ত নিৰাপত্তা আৰু স্বাধীনতা দিব লাগে।
3. খেল-ধেমালি, সাংস্কৃতিক কৰ্ম, বনভোজ আদিত অংশগ্ৰহণ কৰাৰ সুযোগ দিব লাগে।
4. ল'ৰা আৰু ছোৱালীৰ মাজত তুলনা কৰিব নালাগে।
5. শিশুৰ লগত লাগি থাকোতে গণতান্ত্ৰিক দৃষ্টিভংগী বজাই ৰাখিব লাগে।
6. ল'ৰাবোৰক শিশু অৱস্থাত ডাঙৰজনৰ সংগ দিয়াৰ সুবিধা দিব লাগে।
7. শিশুৱে আৱেগিক হ'লে তেওঁলোকক শান্তিৰে আৰু বুদ্ধিমত্তাৰে ব্যৱহাৰ কৰিব লাগে।



টোকা

8. বাঢ়ি অহা শিশুৰ ব্যক্তিত্বৰ প্ৰতি সন্মান জনাব লাগে আৰু শিশুক বিশ্বাসত ল'ব লাগে।
9. শিশুৰ ভাল ব্যৱহাৰসমূহ দৃঢ়ীকৰণ কৰিব লাগে।
10. মনত ৰখা উচিত যে সংগীৰ লগত কাম কৰা পৰিৱেশে শিশুৰ ব্যক্তিত্ব বিকাশত সহায় কৰে।
11. ঘৰৰ বাহিৰে বাহিৰৰ পৰিৱেশৰ লগত শিশুক চিনাকি কৰাব লাগে।
12. শিশুৰ অপৰিপক্ক আৰু ত্ৰুটিপূৰ্ণ স্বাধীনচেতিয়া প্ৰকাশভংগীক শিশুৰ আত্ম প্ৰত্যয় বিকাশৰ এক স্তৰ বুলি ধৰিব লাগে।
13. দলগত কামৰ পৰা শিশুক আঁতৰাই আনিব নালাগে কিয়নো দলগত কৰ্মই শিশুক আত্মপ্ৰকাশৰ সুবিধা দিয়ে অকলশৰীয়া অনুভৱৰ পৰা ৰেহাই দিয়ে আৰু নিৰাপত্তা আৰু প্ৰয়োজনীয়তাৰ অনুভৱ জাগৃত কৰে।
14. হস্তশিল্প আৰু ছবিৰ বিকাশ হ'ব লাগে।
15. পৰীক্ষা-নিৰীক্ষা কৰা সুবিধা প্ৰদান কৰিব লাগে।
16. সাহিত্যৰ জৰিয়তে পঠনৰ অভ্যাস গঠনৰ সুবিধা প্ৰদান কৰিব লাগে।
17. স্থানীয় পৰিৱেশৰ লগত শিশুৰ চিনাক্ত হোৱাৰ ক্ষেত্ৰত বিদ্যালয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
18. খেল-ধেমালি আৰু হস্তবিদ্যাত দক্ষতা বিকাশ হ'ব লাগে তাৰ বাবে যথাবিহীত নিৰ্দেশনা দিয়া উচিত।
19. আৱেগ সঠিক হ'ব লাগে আৰু আৱেগৰ বহিঃপ্ৰকাশৰ দ্বাৰা যাতে সামাজিক বিকাশ কৰিব পাৰে তাৰ বাবে শিশুক উচিত প্ৰশিক্ষণ বা নিৰ্দেশনা দিব লাগে।

**অংগ সঞ্চালন কৌশল আৰু জ্ঞানৰ বিকাশ ঃ**

অংগসঞ্চালন কৌশল আৰু সাংকেতিক কৌশলৰ মাজত পাৰ্থক্য আছে। অংগসঞ্চালন কৌশলে সাংকেতিক কৌশল আৰু শৰীৰ আৰু ইয়াৰ অংগসমূহৰ সঞ্চালনৰ কথাকে বুজায়। কৌশল আয়ত্বকৰণ প্ৰক্ৰিয়া সকলো মানুহৰে একে নহয়। কিছুমানে অতি সোনকালে অংগ সঞ্চালন কৌশল আয়ত্ত কৰিব পাৰে আৰু আন কিছুমানে নোৱাৰে। মানুহ সাপেক্ষে শাৰীৰিক শক্তিও ভিন্ন হয়। সাংকেতিক কৌশলে ভাষা, সংখ্যা আৰু চিত্ৰাংকনক সাঙুৰি লয়। এই সাংকেতিক কৌশলসমূহৰ সহায়ত মানুহে বাৰে বাৰে চেষ্টা কৰি নিৰ্দিষ্ট সমস্যা সোনকালে আৰু সহজে সমাধা কৰিব পাৰে। কথা কোৱা আৰু লিখা চিহ্ন বা সংকেতৰ দ্বাৰা এজনে আনজনলৈ নিজৰ অভিজ্ঞতা বিলাব পাৰে। সেইবাবে চিহ্ন বা সংকেত আৱিষ্কাৰ মানুহৰ বাবে এক মহান সফলতা। সংকেত ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰিলে মানুহৰ মাজত কিছুমান পাৰ্থক্য দেখা দিয়ে।



টোকা



উদাহৰণ স্বৰূপে কিছুমানে সংকেত অতি সহজে ব্যৱহাৰ কৰিব পাৰে আৰু আনবোৰে নোৱাৰে। কিছুমানৰ জ্ঞান বহুত আৰু কিছুমানৰ কম। চিন্তা কৰাৰ ক্ষমতাৰ ওপৰতো ব্যক্তিগত পাৰ্থক্য দেখা পোৱা যায়। চিন্তাৰ জৰিয়তে মানুহে দেখা দিয়া যিকোনো সমস্যা বা পৰিৱেশ মোকাবিলা কৰিব পাৰে। এই ক্ষেত্ৰতো মানুহৰ ক্ষমতা বেলেগ বেলেগ হোৱা দেখা যায়। এই অংগসঞ্চালন কৌশল আৰু সাংকেতিক কৌশলৰ অৰ্থ আৰু ইয়াৰ বিকাশ কেনেকৈ হয় তলৰ আলোচনাৰ পৰা গম লওঁ আহক।

**অংগ সঞ্চালন কৌশলৰ বিকাশ ঃ**

**(ক) ভৰি সঞ্চালন আৰু হস্তচালনা কৌশল ঃ**

বহল ভিত্তিত আমি অংগসঞ্চালন কৌশল দুটা প্ৰধান ভাগত ভগাব পাৰো। ভৰি সঞ্চালন আৰু হস্তচালনা কৌশল। ভৰি সঞ্চালনৰ দ্বাৰা খোজকঢ়া, দৌৰা, বগোৱা আদি কাৰ্য কৰা হয়। আনহাতে হস্তচালনা কৌশলৰ জৰিয়তে কোনো বস্তু হাতেৰে খামুচি ধৰা কাৰ্য কৰা হয়। অংগ সঞ্চালন সকলো বয়সৰ মানুহৰ বাবে প্ৰয়োজনীয় কাৰ্য। নৱজাত শিশুৱে হাত-ভৰি সঞ্চালন কৰি কোনো বস্তু চুব আৰু ধৰিব খোজে আৰু লাহে লাহে



আঁঠু ল'বলৈ আৰম্ভ কৰে। সেইবাবে ভাৰতীয় সভ্যতাত শিশুৱে যেতিয়া আঁঠু ল'ব পৰা হয় বা খোজ ল'ব পৰা হয় পৰিয়ালৰ মানুহে ডাঙৰ উৎসৱ পালন কৰে। খোজ ল'বলৈ ধৰিলে ঘৰৰ পৰিয়ালৰ সদস্যই শিশুটিৰ ওপৰত নজৰ ৰাখিব লগা হয় বাবে শিশুটি কোনো বস্তু বেয়া কৰিব বা ভাঙিব নোৱাৰে আৰু নিজে আঘাতপ্ৰাপ্ত হ'ব নোৱাৰে। খোজ লোৱাৰ সময়ত শিশুটি সক্ৰিয় হৈ পৰে আৰু নতুন অভিজ্ঞতা আহৰণ কৰে। মাংসপেশীৰ ক্ৰিয়াৰ ফলত অংগসঞ্চালন কৌশলৰ বিকাশ হয়। শিক্ষণ প্ৰক্ৰিয়াত অংগসঞ্চালন কৌশলৰ প্ৰয়োগ অতি প্ৰয়োজনীয়। খেলা-ধূলা, কলা আৰু হস্তকলা, কথা কোৱা, পঠন আৰু লিখন আদি সকলো ক্ষেত্ৰতে অংগসঞ্চালন কৌশল সাঙুৰ খাই আছে।

**(খ) অংগ সঞ্চালন ক্ষমতা আৰু বৃদ্ধি**

শিশুৱে তিনি ধৰণৰ অংগসঞ্চালন সঁহাৰি দেখুৱাই ঃ

- শিশুৱে যিকোনো কাৰ্য বা সকলো ধৰণৰ কাৰ্যৰ প্ৰতি সম্পূৰ্ণ সঁহাৰি দেখুৱায়।
- বিশেষ প্ৰতিক্ৰিয়া যেনে — শোহা, খামুচি ধৰা, আঙুলি লৰচৰ কৰা আদি দেখুৱায়।
- শিশুৱে বিভিন্ন প্ৰতিক্ৰিয়াৰ সমন্বয় সাধন কৰি জটিল ব্যৱহাৰ প্ৰদৰ্শন কৰে। যেনে — হঠাৎ ভয় খোৱা।

অংগ সঞ্চালন ক্ষমতাৰ বিকাশৰ এটা গুৰুত্বপূৰ্ণ স্তৰ হ'ল চকু আৰু হাতৰ মাজৰ সমন্বয়ৰে বস্তু ঢুকি পোৱা আৰু খামুচি ধৰা। এই সময়ত শিশুৰ 7/8 বছৰ হয় আৰু তেওঁলোকে যিকোনো সময়তে বস্তু খামুচি ধৰা বা অন্য বস্তুৰ সহায় লোৱাৰ ওপৰত নিৰ্ভৰ নকৰে। দৃষ্টি আৰু অংগসঞ্চালনৰ দ্বাৰা বস্তু আৰু চকুৰ মাজত সম্পৰ্ক স্থাপন হয় আৰু হস্তচালনাৰে শিশুৱে নিৰ্দিষ্ট বস্তু খামুচি ধৰে।

বছৰে বছৰে শিশুৰ ভৰি সঞ্চালনতো বিকাশ হয়। হস্তকৌশল যেনে- দলিওঁৱা, ধৰা, জপিওঁৱা আদি কাৰ্য চকু, বাহু আৰু ভৰিৰ সমন্বয় কাৰ্যৰ দ্বাৰা সম্ভৱ হয়। বয়স বৃদ্ধি হোৱাৰ লগে লগে অদৰকাৰী দেহৰ চলন হ্ৰাস পায়। শিশুৱে বিদ্যালয়ত অহাৰ আগতে ভৰি বা হস্তকৰ্মৰ কৌশল শিকি আহে আৰু বিদ্যালয়ত অন্য কৰ্ম কৰাৰ হেঁপাহ বৃদ্ধি হয়।

**(গ) শিকন কৌশলৰ কিছুমান দিশ ঃ**

অংগ সঞ্চালন কৌশল শিকনৰ ক্ষেত্ৰত কেন্দ্ৰীয় স্নায়ুতন্ত্ৰ, কংকালপেশী, স্বয়ংক্ৰিয় স্নায়ুতন্ত্ৰ আৰু পাচনতন্ত্ৰ গোষ্ঠীৰ মাজত এক সমন্বয় সৃষ্টি হয় আৰু নিৰ্দিষ্ট অংগ সঞ্চালন কাৰ্য সমাধা হয়। কংকাল ক্ৰিয়া দ্ৰুতগতিত হয় আৰু ই নিৰ্দিষ্ট আৰু সীমিত যদিও চিৰস্থায়ী নহয়। আনহাতে সূক্ষ্মপেশীবোৰৰ ক্ৰিয়া মন্থৰ গতিত হয় আৰু বেছি দেৰিলৈ থাকে। মুখাপেশীৰ ক্ৰিয়াৰ পৰিসৰ বেছি। সেইবাবে আমি আমাৰ অনুভৱ ভালকৈ ধৰিব বা বৰ্ণনা কৰিব নোৱাৰো, সূক্ষ্ম, মিহি পেশীৰ প্ৰতিক্ৰিয়াৰ পৰা কংকাল পেশীৰ প্ৰতিক্ৰিয়ালৈ হোৱা পৰিবৰ্তনৰ ফলত শিকন কৌশল বৃদ্ধি হয়। প্ৰাক শিশুকালত শিশুৱে নতুন পৰিৱেশৰ লগত খাপ খুৱাই চলিবলৈ ভয় পায় বা খং কৰে আৰু আমনি অনুভৱ কৰে। শিশুৰ ভয় বা শংকা যিমানেই কৰিব তেওঁলোকৰ সম্পদৰ ব্যৱহাৰৰ সিমানেই বাঢ়িব আৰু নতুন পৰিৱেশত খাপ খাই চলিবলৈ শিকিব। পৰিৱেশ সাপেক্ষে প্ৰতিটো কাম বাৰে বাৰে কৰাৰ পাছত কৰ্ম সহজ হৈ পৰে আৰু বিভিন্ন কৰ্মৰ মাজত ভাৰসাম্য বজাই ৰাখিব পাৰে।

যিকোনো কৌশল আয়ত্ব কৰাৰ বাবে অভিৰোচন অতি আৱশ্যকীয়। ফলপ্ৰসূ শিকনৰ বাবে সৰ্বোচ্চ স্তৰৰ অভিৰোচন অতি দৰকাৰী। যিবোৰ মানুহে কেইবাটাও কৌশল ইতিমধ্যে আয়ত্ব কৰিছে তেওঁলোকৰ নতুন কৌশল আয়ত্বৰ বেছি সময় নালাগে। কৌশলৰ জটিলতাৰ স্তৰেও কৌশল আয়ত্বকৰণত মানুহভেদে প্ৰভাৱ পেলায়। কৌশল আয়ত্বৰ বাবে মানুহ এজনক যথেষ্ট সুবিধা দিব লাগিব আৰু পাৰদৰ্শিতা আনিবলৈ প্ৰয়োজনীয় সহায় কৰিব লাগিব। মানসিক অভ্যাসেও কৌশল শিকনত যথেষ্ট প্ৰভাৱ পেলায়। অত্যাধিক শিকনে আৰু নিৰ্দিষ্ট সময়ৰ মূৰত কৰা অভ্যাসে কৌশল আয়ত্বৰ স্থায়িত্ব আনে। কথাছবিৰ জৰিয়তে কৌশল অতি সহজে আয়ত্ব কৰিব পাৰি।

**গুণৰ বিকাশ ঃ** গুণৰ বিকাশ হ'ল মানুহৰ বিকাশৰ অন্যতম প্ৰয়োজনীয় বিকাশ। গুণৰ বিকাশক সাধাৰণতে চৰিত্ৰৰ বিকাশ বুলি কোৱা হয়। গুণ বা চৰিত্ৰৰ বিকাশ হ'ল মানুহৰ সম্পূৰ্ণ ব্যক্তিত্ব বিকাশৰ এক অতি প্ৰয়োজনীয় দিশ। মানুহে জন্মতে গুণ আহৰণ



টোকা

নকৰে। নিজৰ মা-দেউতা, পৰিয়াল, সম্পৰ্কীয়, ওচৰ-চুবুৰীয়া, বন্ধুগণ আৰু সমাজৰ বিভিন্ন সদস্যৰ পৰা মানুহে গুণ বা চৰিত্ৰ আহৰণ কৰে।

**গুণ বা চৰিত্ৰ বিকাশৰ মূল কাৰকসমূহ হ'ল—**

- ব্যক্তিজনৰ জৈৱিক গঠন।
- ভৌতিক পৰিৱেশ।
- সামাজিক প্ৰভাৱ
- সাংস্কৃতিক পৰম্পৰা
- শাৰীৰিক আৰু মানসিক স্বাস্থ্য
- আৰ্থ-সামাজিক অৱস্থা
- অভিজ্ঞতাৰ পৰা আহৰণ কৰা দিশ
- সচেতনতা বৃদ্ধিৰ প্ৰশিক্ষণ
- জ্যেষ্ঠজনে দিয়া শাস্তি বা পুৰস্কাৰ।

**গুণ বিকাশৰ মূল বৈশিষ্ট্যসমূহ ঃ**

স্তৰ সাপেক্ষে গুণ বিকাশৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

**কেঁচুৱা অৱস্থা ঃ**

- জন্মৰ সময়ত শিশুৰ গুণগত দিশ ধৰ্তব্য নহয়।
- পৰিপক্ক আৰু অভিজ্ঞতাৰ জৰিয়তে শিশুৰ গুণ বৃদ্ধি হয়।
- শিশুৱে কিছুমান চৰিত্ৰ দেখুৱাৰ আগতে প্ৰয়োজনীয় পৰিপক্কতা আহৰণ কৰে।
- ঘৰত পিতৃ-মাতৃয়ে দিয়া শাস্তি বা পুৰস্কাৰৰ সহায়ত শিশুৰ চৰিত্ৰৰ আৰ্হি গঠন হয় আৰু ক্ৰমাগতভাৱে বিকাশ আৰম্ভ হয়।
- প্ৰাক বিদ্যালয় কালছোৱাত শিক্ষকে শিশুক প্ৰয়োজনীয় কাম কৰাৰ বাবে সহায় কৰে আৰু অভিজ্ঞতাৰ জৰিয়তে শিশুৰ চৰিত্ৰ গঠন কৰাত সহায় কৰে।
- আনন্দদায়ক আৰু বিষাদপূৰ্ণ কৰ্মৰ জৰিয়তে শিশুৱে সমাজৰ গ্ৰহণীয় আৰু বৰ্জনীয় কৰ্মৰ জ্ঞান অৰ্জন কৰে।

**শিশুকাল ঃ**

- এই সময়ছোৱাত শিশুৱে সমনীয়াৰ লগত খেলা-ধুলা কৰি, শৃংখলা বজাই ৰাখি কিছুমান গুণ অৰ্জন কৰে।
- শিশুৰ বন্ধুৰ পৰিমাণ বাঢ়ি যায় আৰু পিতৃ-মাতৃ, শিক্ষক আৰু সমাজৰ অন্য লোকৰ দ্বাৰা পোৱা কৰ্কশ ব্যৱহাৰ, পুৰস্কাৰ আদিৰ দ্বাৰা শিশুৰ গুণৰ বিকাশ হয়।
- এই সময়ত শিশুৱে সামাজিক, সাংস্কৃতিক নীতি-নিয়মৰ কথা জনা হয়।
- সংখ্যাজ্ঞান মুখস্থ বিদ্যাৰ জৰিয়তে তেওঁলোকে আহৰণ কৰিলেও সংখ্যাজ্ঞান নুবুজালৈকে প্ৰকৃত শিকন আয়ত্ব নহয়।



টোকা

- সাধুতা, সত্যবাদিতা, বিশ্বাসযোগ্যতা আদি এই সময়ছোৱাত আহৰণ কৰিবলগীয়া অৰ্থপূৰ্ণ গুণ।
- বাধা দিয়াৰ ক্ষমতা আৰু স্ব-পচন্দৰ প্ৰক্ৰিয়া বৃদ্ধি পায়।

**অগ্ৰগতিৰ পৰীক্ষা ঃ 4**

শৈশৱ কালৰ বিকাশৰ বিভিন্ন স্তৰ সম্পৰ্কে 100 শব্দৰ ভিতৰত বৰ্ণনা কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

## 1.6.2 শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ বাবে শিশুৰ বিকাশৰ স্তৰৰ প্ৰভাৱ ঃ

শিক্ষকৰ বাবে বিকাশৰ জ্ঞান আৰু বিকাশৰ নীতি জনাটো প্ৰয়োজন। তলত উল্লেখ কৰা দিশবোৰ চাওক আৰু শ্ৰেণীকোঠাত এইবোৰৰ প্ৰয়োজন আছেনে ভাবি চাওক।

1. বিকাশৰ জ্ঞানে শিক্ষকক শিশুৰ বিকাশৰ স্তৰ অনুযায়ী শিক্ষণ সঁজুলি ব্যৱহাৰ কৰিবলৈ সহায় কৰে।
2. বয়স অনুযায়ী শিশুৰ বাবে প্ৰয়োজনীয় কাৰ্য দিবলৈ সক্ষম হয়। শিশুৱে কি আশা কৰে বা শিশুৰ পৰা কি আশা কৰিব পাৰি সেই বিষয়ে জ্ঞান হয়।
3. শিশুৰ পৰিপক্কতা অনুসৰি নিৰ্দিষ্ট শিকনৰ বোধ আয়ত্ব কৰাব পাৰি।
4. বিকাশৰ ধৰণ অনুযায়ী শিকন পদ্ধতিৰ পৰিকল্পনা কৰিব পাৰি। বিশেষৰ পৰা সাধাৰণলৈ আৰু সাধাৰণৰ পৰা বিশেষলৈ এই পদ্ধতিৰে শিশুক শিকাব পাৰি।
5. বিভিন্ন দিশৰ আন্তঃসম্পৰ্ক আৰু আন্তঃনিৰ্ভৰশীলতা অনুসৰি শিশুৰ সৰ্বাংগীন বিকাশ নিশ্চিত কৰিব পাৰি।
6. পৰিৱেশৰ ভূমিকা সম্পৰ্কে জনাৰ পিছত শিক্ষকে শিশুক পৰিৱেশৰ প্ৰতি আকৰ্ষণ কৰি শিক্ষা প্ৰদান কৰিব পাৰে।
7. মানুহৰ জীৱন চক্ৰত বিকাশ এক অবিৰত প্ৰক্ৰিয়া। সেইবাবে আমাৰ ব্যক্তিত্বৰ বিকাশত বিভিন্ন দিশত সম্পূৰ্ণতা আনিবলৈ সৰ্বোত্তম বিকাশ আহৰণ কৰিবলৈ চেষ্টা কৰা উচিত।
8. ব্যক্তিগত পাৰ্থক্যৰ নীতি আৰু জ্ঞানে বিভিন্ন মানুহৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে সবিশেষ জ্ঞান দিয়ে যিটো শিশুৰ বিকাশৰ বিভিন্ন স্তৰত দেখা পোৱা যায়। শিশুৰ নিজস্ব বল আৰু সীমাৰ ভিতৰতে বিভিন্ন বিকাশ আয়ত্ব কৰাৰ বাবে সহায় কৰিব


টোকা

লাগে।

9. বৃদ্ধি আৰু বিকাশৰ নীতিয়ে শিশুৰ বিকাশৰ এক আৰ্হি সম্পৰ্কে আভাষ দিয়ে। ইয়াৰ দ্বাৰা শিশুৰ বিকাশৰ স্তৰ সাপেক্ষে কেনে ধৰণৰ বিকাশ আমি আশা কৰো তাৰ উমান পোৱা যায় আৰু সেইদৰে আমি পৰিকল্পনা কৰি আশা কৰা বিকাশ আহৰণ কৰাৰ বাবে চেষ্টা কৰিব পাৰো। এই ক্ষেত্ৰত পৰিৱেশৰ অভিজ্ঞতাই আমাক যথেষ্ট সহায় কৰে।

**অগ্ৰগতিৰ পৰীক্ষা ঃ 5**

এজন শিশুৰ বৃদ্ধি আৰু বিকাশ সম্পৰ্কে আহৰণ কৰা জ্ঞানে শিক্ষক এজনক কেনেদৰে শিক্ষণ-শিকন প্ৰক্ৰিয়া ভাল কৰাত সহায় কৰিব পাৰে 100 টা শব্দৰ ভিতৰত লিখক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 1.7 শিশুৰ বৃদ্ধি আৰু বিকাশৰ ক্ষেত্ৰত শিক্ষকৰ ভূমিকা

শিশুৰ বয়স সাপেক্ষে শিক্ষকে তেওঁলোকৰ প্ৰত্যেকৰে আৰ্থ সামাজিক আৰু সাংস্কৃতিক পটভূমি জানিব লাগে আৰু তেওঁলোকৰ মাজত থকা পাৰ্থক্য অনুযায়ী শিক্ষা প্ৰদান কৰিব লাগে। সমাজৰ এজন এজেণ্ট হিচাপে শিক্ষকে শিশুৰ প্ৰয়োজনীয় ব্যৱহাৰিক পৰিৱৰ্তন ঘটাই তেওঁলোকক দেশৰ ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তুলিব লাগে যাতে তেওঁলোকে দেশক বিকাশৰ দিশত আগবঢ়াই নিব পাৰে। দেশৰ বিকাশ সম্পৰ্কে কৰা অধ্যয়নে অতীতৰ সহায়ত বৰ্তমানক জনাৰ উপায় উদ্ভাৱন কৰে। বিদ্যালয়ত ভৰ্তি হোৱাৰ প্ৰাক মুহূৰ্তত শিশুৱে ঘৰ আৰু ওচৰ চুবুৰীয়াৰ পৰা যথেষ্ট অভিজ্ঞতা লাভ কৰে যিয়ে শিশুটিক নিয়মীয়া বিদ্যালয় শিক্ষা আহৰণ কৰাত সহায় কৰে। শিশুৰ মাজত থকা পাৰ্থক্যই তেওঁলোকৰ শিক্ষা আহৰণত যথেষ্ট সহায় কৰে। শিক্ষকে প্ৰতিজন শিশুৰ প্ৰতিভা আৰু ক্ষমতা সম্পৰ্কে জনা উচিত যাতে তেওঁলোকক সেই ধৰণে ব্যৱহাৰ আৰু সহায় কৰি তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক বিকাশ নিশ্চিত কৰিব পাৰে। শিশুৰ সৰ্বাংগীন বিকাশ ঘটাবলৈ হ'লে শিক্ষকে শিশুৰ বিভিন্ন স্তৰত হোৱা শিশুৰ বৃদ্ধি আৰু বিকাশৰ নীতি সম্পৰ্কে জনাটো অতি আৱশ্যকীয় যাতে যথা সময়ত তেওঁলোকক প্ৰয়োজনীয় নিৰ্দেশনা আৰু সহায় আগবঢ়াব পাৰে। শিশুৱে যে পৰিৱেশ পৰিস্থিতি সাপেক্ষে নিজস্ব ব্যৱহাৰিক দিশৰ পৰিবৰ্তন ঘটাই সেই সম্পৰ্কে শিক্ষকে জনা উচিত।



টোকা

এজন শিক্ষকে শিশুক তলত উল্লেখ কৰা ধৰণে সহায় কৰি শিশুৰ জীৱন আৰু ভৱিষ্যৎ গঢ়িব পাৰে।

1. শিশুৰ প্ৰয়োজন অনুসৰি ক্ৰিয়া, বোধ আৰু বিবেচনাৰ জৰিয়তে শিশুৰ নিৰাপত্তা প্ৰদান কৰিব পাৰে। পৰিয়াল আৰু সমাজত শিশুৰ উপযুক্ত স্থান নিৰ্ধাৰণ আৰু আৰ্থিক স্থিৰতাৰ জৰিয়তেও শিশুক নিৰাপত্তা প্ৰদান কৰিব পাৰে।
2. শিশুৱে লক্ষ্যত উপনীত হ'বলৈ স্বাভাৱিক আশা-আকাংক্ষা পূৰ কৰাৰ স্বাধীনতা, আনক সহায় কৰাৰ সুবিধা প্ৰদান কৰা, সাহসিক ঘটনাৰ অভিজ্ঞতা আদিৰ জৰিয়তে শিক্ষকে শিশুৰ গুণ আহৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি শিশুৰ প্ৰয়োজনীয়তা পূৰ কৰিব পাৰে।
3. শান্তিপূৰ্ণভাৱে বসবাস কৰা, চৰিত্ৰ গঠনৰ প্ৰশিক্ষণ, বৃত্তিগত উপদেশ আৰু অন্য শিশুৰ লগত হোৱা অভিজ্ঞতাৰ জৰিয়তে শিক্ষকে শিশুক প্ৰাককালীন সামাজিক প্ৰশিক্ষণ দিব পাৰে।
4. খেলা-ধুলাৰ বাবে সামগ্ৰী আৰু খেলপথাৰ দিয়া আৰু প্ৰশ্নোত্তৰ কৰাৰ বাবে শিকন কাৰ্যত জড়িত হোৱা আদিৰ ব্যৱস্থাৰ জৰিয়তে শিশুৰ মানসিক বিকাশ হোৱাৰ পথ সুগম কৰিব পাৰে।
5. শিক্ষকে শিশুৰ আৱেগ আৰু দক্ষতা বৃদ্ধিৰ বাবে প্ৰয়োজনীয় বন্ধুসুলভ পৰিৱেশ শিশুক দিব পাৰে আৰু সমাজত ভাল মানুহৰ সংস্পৰ্শত শিশুৰ নিৰাপত্তা সুনিশ্চিত কৰাব পাৰে।

**অগ্ৰগতিৰ পৰীক্ষা ঃ 6**

শিক্ষকে স্বাভাৱিকভাৱে এজন শিশুৰ বৃদ্ধি আৰু বিকাশ কৰাত শিক্ষকে কেনেদৰে সহায় কৰিব পাৰে 100 শব্দৰ ভিতৰত লিখক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 1.8 সাৰাংশ ঃ

শিশু বৃদ্ধি আৰু বিকাশৰ জৰিয়তে প্ৰাপ্তবয়স্ক হয়। বৃদ্ধি হ'ল উচ্চতা আৰু ওজনৰ ক্ষেত্ৰত দেখা পৰিৱৰ্তন আৰু বিকাশ হ'ল দৈহিক কাৰ্য আৰু চৰিত্ৰৰ পৰিৱৰ্তন। বংশগতি আৰু পৰিৱেশে বৃদ্ধি আৰু বিকাশত প্ৰভাৱ বিস্তাৰ কৰে। বিকাশৰ বিভিন্ন স্তৰসমূহ হ'ল কেঁচুৱা কাল, প্ৰাক শৈশৱ কাল, শৈশৱ কাল আৰু বয়স সন্ধি কাল। বিকাশৰ বিভিন্ন স্তৰত শিশুৰ মানসিক, শাৰীৰিক, আৱেগিক আৰু চৰিত্ৰৰ পৰিৱৰ্তন হয়। শিক্ষকে শিশুৰ বিকাশৰ



টোকা

স্তৰৰ বৈশিষ্ট্যসমূহ ভালদৰে জানি শিশুক মৰম আৰু উৎসাহেৰে তেওঁলোকক সহায় আগবঢ়াব লাগে। শিশুৰ প্ৰয়োজন অনুসৰি শিক্ষকে তেওঁলোকক শিক্ষণ শিকন প্ৰক্ৰিয়া আগবঢ়াব লাগে।

## 1.9 শিকনৰ অগ্ৰগতিৰ উত্তৰসমূহ ঃ

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 1**

হয়, বৃদ্ধি বিকাশতকৈ পৃথক। বৃদ্ধিয়ে শৰীৰৰ উচ্চতা, ওজন আৰু দৈৰ্ঘ্যৰ বৃদ্ধিক বুজায়। আনহাতে বিকাশে মানুহৰ দৈহিক কাৰ্য আৰু গুণগত পৰিৰৰ্তনক বুজায়।

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 2**

বিকাশৰ আৰ্হিৰ নীতি, বিকাশৰ দিশ, অবিৰত আৰু একেধৰণৰ বিকাশ ব্যক্তিগত পাৰ্থক্য, আন্তঃসম্পৰ্ক, আদিয়ে সাধাৰণৰ পৰা বিশেষ ধৰণৰ বিকাশৰ পথ দেখুৱাই।

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 3**

বৃদ্ধি কোষ বিভাজনৰ ফলত হয়। যেনে - উচ্চতা আৰু ওজন বৃদ্ধি। আনহাতে বিকাশে শৰীৰৰ অংগসমূহ সংগঠিত কৰি শৰীৰ কাৰ্য বৃদ্ধি কৰে।

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 4**

বিকাশৰ মুখ্য স্তৰসমূহ হ'ল —

কেঁচুৱা কাল ঃ জন্মৰ পৰা দুই বছৰলৈ

প্ৰাক শৈশৱ কাল ঃ 2 বছৰ পৰা 6 বছৰলৈ

শৈশৱ কাল ঃ 6 বছৰৰ পৰা 12 বছৰলৈ

বয়সসন্ধি কাল ঃ 12 বছৰৰ পৰা 19 বছৰলৈ।

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 5**

শিশুৰ বিকাশৰ বিভিন্ন স্তৰৰ বৈশিষ্ট্য সমূহ বুজি বিভিন্ন শিশুৰ মাজত পাৰ্থক্য উলিয়াই শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াব লাগিব।

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 6**

আভ্যন্তৰীণ আৰু বাহ্যিক কাৰকসমূহ।

**শিকনৰ অগ্ৰগতিৰ পৰীক্ষা ঃ 7**

এজন শিক্ষকে শিশুৰ প্ৰয়োজনীয়তা অনুসৰি, শিশুক বুজি যত্ন ল'ব লাগে, মৰম আৰু বন্ধুত্বৰে শিশুক সহায় কৰিব লাগে আৰু শিশুৰ প্ৰয়োজনীয়তা পূৰ কৰিব লাগে।



টোকা

## 1.10 পৰামৰ্শমূলক পঠন আৰু প্ৰাসংগিক পুথি


- Wood, Chip (2007) **Yardsticks: Children in the Classroom Ages 4-14 : A Resource for Parents and Teachers** , Northeast Foundation for Children, Inc., Turners Falls MA
- Junn, Ellen and Boyatzs, Chris (2007) Annual Editions: Child Growth and Development 08/09 [Paperback], Dushkin Pub. Group, Nashua, NH, United States


## 1.11 গোটৰ অনুশীলনী ঃ

- বৃদ্ধি আৰু বিকাশ কাক বোলে?
- বৃদ্ধি আৰু বিকাশৰ নীতিসমূহ বৰ্ণনা কৰক।
- প্ৰাক শৈশৱ কালত দেখা পোৱা শিশুৰ আৱেগিক আৰু বৌদ্ধিক বিকাশৰ দুটা বৈশিষ্ট্য লিখক।
- শিশুৰ বৃদ্ধি আৰু বিকাশৰ কি কি কাৰকে প্ৰভাৱ পেলায় বৰ্ণনা কৰক।
- শিক্ষকে শিশুৰ বৃদ্ধি আৰু বিকাশত কিদৰে সহায় কৰিব পাৰে বৰ্ণনা কৰক।

*****